আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণনীয় ব্যক্তি হৈছে সেইজন, যিজন কলহপ্ৰিয়।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহৰ ওচৰত আটাইতকৈ ঘৃণনীয় ব্যক্তি হৈছে সেইজন, যিজন কলহপ্ৰিয়। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, মহান আল্লাহৰ দৃষ্টিত অত্যন্ত কলহপ্ৰিয় ব্যক্তি হৈছে খুবেই অপছন্দনীয়, যি ব্যক্তিয়ে সত্যক আঁকোৱালি লব নিবিচাৰে; বৰং অযথা তৰ্ক-বিতৰ্কৰ দ্বাৰা প্রতিবাদ কৰিবলৈ চেষ্টা কৰে অথবা সত্যৰ পক্ষত বিতৰ্ক কৰে কিন্তু অপ্ৰয়োজনীয় বিতৰ্ক কৰে; আৰু অতিৰিক্ত বিতৰ্ক কৰাৰ কাৰণে ন্যায়ৰ পৰা আঁতৰি যায় তথা ইল্ম বা জ্ঞান নোহোৱাকৈ বিতৰ্ক কৰে।

https://sunnah.global/hadeeth/as/show/5474